**HS/XI/A.Sc.Com/A/20**

## 2020

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions :*

*(i)* Write all the answers in the Answer Script.

*(ii)* Attempt Part — A Objective Questions serially.

*(iii)* Attempt all parts of a question together at one place.

( PART : A – OBJECTIVE )

( *Marks* : 50 )

SECTION – I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ, পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**এটা** বা **দুটা** শব্দৰে)ঃ ১×১০ = ১০

(ক) 'জীৱনৰ শান্তিপৰ্ব' প্ৰবন্ধটোৰ লেখক কোন?

(খ) 'কৃপাবৰ বৰবৰুৱা' কাৰ ছদ্মনাম?





(গ) বধকাব্যসমূহ কোনে ৰচনা কৰিছিল?

(ঘ) অসমৰ খেল-ধেমালি প্ৰবন্ধটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(ঙ) 'ক্ৰীয়াঙ্গণ' শব্দৰ অৰ্থ কি?

(চ) বৰগীতসমূহ কি ভাষাত ৰচিত?

(ছ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এখন কবিতাপুথিৰ নাম লিখা।

(জ) 'লাচিত ফুকন' কবিতাটোৰ কবি কোন?

(ঝ) ফাতেমা কোন?

(ঞ) চিৰাজ কোন শ্ৰেণীৰ নাটক?

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল **শুদ্ধ** বা **অশুদ্ধ** বুলি উত্তৰ - বহীত লিখা)ঃ ১×৫ = ৫

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনাম বীণা বৰুৱা।

(খ) বৰগীত ৰাম সৰস্বতীৰ ৰচনা।

(গ) চিৰাজ এখন সামাজিক নাটক।

(ঘ) দেৱকান্ত বৰুৱা এজন সফল ৰাজনীতিবিদ আছিল।

(ঙ) সীতাৰ মাকৰ নাম সাবিত্ৰী।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা। ১×৫ = ৫

(ক) ___________ বয়স প্ৰিয় বস্তু নহয়।

(খ) ৰূপে কোটি মদন ___________ মোহন।

(গ) এদাক দেখি ___________ গা, কেতুৰিয়ে বোলে মোকো খা।

(ঘ) সেই মৃত্যু ___________ ফুল।

(ঙ) জাতি-বিজাতি ___________ গঢ়া, ইশ্বৰে গঢ়া নহয়।

## SECTION – II

( *Marks* – 30 )

৪। তলৰ যিকোনো **দহটা** প্ৰশ্নৰ উত্তৰ, উত্তৰ-বহীত লিখা ( প্ৰতিটো প্ৰশ্নৰ উত্তৰ তিনিৰ পৰা ছয় শাৰীৰ ভিতৰত) ঃ ৩×১০ = ৩০

(ক) মানুহৰ জীৱনৰ প্ৰধান স্তৰ কেইটা কি কি?

(খ) তিনিখন বধকাব্যৰ নাম লিখা।

(গ) পুৰণি কালত অসমত প্ৰচলিত তিনিবিধ খেলৰ নাম লিখা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এটি চমু পৰিচয় দিয়া।

(ঙ) মাধৱদেৱ কোন? তেওঁৰ দুখন ঝুমুৰাৰ নাম লিখা।

(চ) কন্দৰ্প কোন আছিল? তেওঁ কাক বিয়া কৰাইছিল?

(ছ) লাচিত বৰফুকন কোন শ্ৰেণীৰ কবিতা? কবিতাটিৰ কবিগৰাকীৰ নাম কি? তেওঁৰ একমাত্ৰ কবিতা পুথিখনৰ নাম কি?

(জ) অৰ্থ লিখাঃ
নকল-নবীছ, লতিকা, ছায়াবাজি।





(ঝ) সীতাৰ পিতৃ কোন? তাই কাৰ ঘৰত ডাঙৰ-দীঘল হৈছিল।

(ঞ) নাটকৰ যিকোনো তিনিটা উপাদান লিখা।

(ট) চিৰাজ নাটকখন কিমান চনত ৰচিত হৈছিল? নাটকখনৰ দুটা নাৰী চৰিত্ৰৰ নাম লিখা।

(ঠ) 'এখন চিঠি' কবিতাটিৰ সৈনিকজনৰ পত্নীৰ নাম কি? তেওঁ পত্নীক কি বুলি অনুৰোধ কৰিছে?

(ড) মাধৱদেৱৰ সাহিত্যকৃতিৰ চমু পৰিচয় দাঙি ধৰা।

## ( PART : B — DESCRIPTIVE )

( *Marks* – 50 )

৫। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা।

(ক) 'জীৱনৰ শান্তিপৰ্ব' পাঠটিৰ জৰিয়তে লেখকে প্ৰকৃততে কি ক'ব বিচাৰিছে বুজাই লিখা। ৭

(খ) আহোম যুগৰ খেল-ধেমালিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটা টোকা লিখা। ৭

(গ) 'বধকাব্য' নামৰ পাঠটোৰ ৰচক কোন? বধকাব্যসমূহ কি উদ্দেশ্যে ৰচনা কৰা হৈছিল বহলাই লিখা। ১ + ৬ = ৭

৬। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা।

(ক) 'এখন চিঠি' কবিতাটোৰ মূলভাব লিখা। ৭

(খ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ ৭

আকউ এবাৰ শুনোঁৱা তোমাৰ ৰণ-আহ্বান-বাণী

আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগা পানী।

(গ) 'লাচিত ফুকন' কবিতাটোৰ মাজেৰে কবিৰ স্বদেশপ্ৰেম কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা। ৭

৭। তলৰ যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা।

(ক) কন্দৰ্প কোন আছিল? চিৰাজ নাটকৰ প্ৰথম অংকত কন্দৰ্পৰ চৰিত্ৰটো কেনেদৰে অংকন কৰা হৈছে আলোচনা কৰা। ৬

(খ) 'চিৰাজ' নাটকৰ মূল কি? 'চিৰাজ' নাটকক সামাজিক নাটক বুলি ক'ব পাৰিনে? সামাজিক নাটকৰ চাৰিটা বৈশিষ্ট্য লিখা। ১ + ১ + ৪ = ৬

(গ) চমুটোকা লিখাঃ (যি কোনো দুটাৰ) ৩ + ৩ = ৬

সাৱিত্ৰী, আঘোনা, বৰুৱানী।

**(ব্যাকৰণ ভাগ)**

৮। (ক) পদ কাক বোলে? পদ কেইবিধ আৰু কি কি? প্ৰত্যেক বিধৰে একোটাকৈ উদাহৰণ দিয়া। ৫

(খ) তলৰ বিশেষ্য পদ কেইটা বিশেষণ পদলৈ পৰিবৰ্ত্তন কৰা। (যি কোনো পাঁচটা) পৰ্বত, নাটক, কবিতা, গাঁও, ল'ৰা, ঘৰ, দুখ। ৫





(গ) সমাস কাক বোলে? সমাস কেই প্ৰকাৰৰ আৰু কি কি? ৫

৯। তলৰ যিকোনো **এছোৱাৰ** ভাৱ সম্প্ৰসাৰণ কৰাঃ ৫

(ক) এশ গৰু মাৰিলে বাঘৰো মৰণ।

(খ) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ।

(গ) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

১০। তলৰ খণ্ডবাক্য কেইটাৰে অৰ্থপূৰ্ণ বাক্যৰচনা কৰা। (যিকোনো **চাৰিটা**)ঃ ১×৪ = ৪

কুন্দত কটা, ধোদৰ পচলা, নপতা ফুকন, হাত দীঘল, আকাশত চাংপতা, চকু চৰহা, পানীত হাঁহ নচৰা, ডলাৰ বগৰী।

১১। তলৰ কথাখিনিৰ সাৰাংশ লিখা (যিকোনো **এছোৱাৰ**) ঃ ৬

(ক) মই মৰিলেও দিন গ'লে ৰাতি হ'ব, জোন বেলি ওলাই থাকিব, গছত ফুলিব ফুল, বতাহ বলিব নিজ বাটে নক্ষত্ৰ ঘূৰিব। আজিৰ দৰে ই নিতে জগত চলিব, নাই তাত অকনো সংশয়। এই বিশ্ব সংসাৰত কোনো নিয়মৰে লৰচৰ অলপো নহয়।

(খ) সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ।
সুখ বিচাৰোতে পায় সংসাৰত
দুখৰ উপৰি দুখ।

★★★